# Course 507

# শিক্ষা সংস্থাসমূহৰ লগত সম্বন্ধ

ব্লক - 2

গোট - 8



টোকা

# গোট - 8 ঃ শিক্ষা সংস্থাসমূহৰ লগত সম্বন্ধ

## সংগঠন

8.0 আৰম্ভণী

8.1 শিকিবলগীয়া অৰ্হতাসমূহ

8.2 শিক্ষাৰ ঐতিহাসিক নীতি আৰু নিয়মাৱলীৰ চমু আভাষ

8.3 সৰ্বশিক্ষা অভিযান

8.8. সৰ্বশিক্ষাৰ অন্তৰ্গত গঠিত বিভিন্ন গোটসমূহ

8.5. বিভিন্ন চৰকাৰী সংস্থাসমূহৰ স'তে হোৱা বিদ্যালয়ৰ আলোচনাসমূহৰ উদাহৰণ

8.6 অন্যান্য প্ৰয়োজনীয় শিক্ষা সংস্থাসমূহ

8.7 স্বয়ংসেৱী অনুষ্ঠানসমূহৰ ভূমিকা

8.8 প্ৰধান শিক্ষক আৰু শিক্ষক *vis-à-vis* সমাজৰ ভূমিকা

8.9. সাৰাংশ

8.10. পঠন আৰু প্ৰাসংগিকতা সম্পৰ্কে পৰামৰ্শ প্ৰদান

8.11. সম্পূৰ্ণ পাঠগোটৰ প্ৰশ্নাৱলী

## 8.0 আৰম্ভণী ঃ

পূৰ্বৰ পাঠ ব্লক-1 আৰু 2 আপোনালোকে শিক্ষাৰ ক্ষেত্ৰত সম্প্ৰদায় বা সমাজৰ ভূমিকা আৰু তেওঁলোকৰ মাজত থকা সম্বন্ধৰ বিষয়ে জ্ঞাত হৈছে। 2009 চনত হোৱা Free and Compulsory Education Act, 2009 বিদ্যালয়বোৰত প্ৰযোজ্য আৰু প্ৰয়োজনবোৰৰ দিহা কৰা হয়। এই পাঠগোটটোৱে বিভিন্ন শৈক্ষিক সংস্থা আৰু বিদ্যালয়ৰ মাজত থকা সম্বন্ধৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আলোচনা আগবঢ়াব। যদিও এই সংস্থাবিলাকে বিদ্যালয়ৰ কাৰ্যকলাপ শক্তিশালী আৰু উন্নয়নৰ হকে কাম কৰে, কিন্তু পাঠগোটটোত শিক্ষক, যিজন এই কাৰ্য সম্পাদনা কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা ল'ব লগা হয় আৰু তেওঁৰ প্ৰচেষ্টাতহে কেনেদৰে সমাজৰ ধনাত্মক দিশত উন্নয়ন কৰিব পৰা যায় আদি কথাবোৰ ওপৰত বিশিষ্ট ৰূপে প্ৰকাশ কৰি আলোচনা কৰা হ'ব।

## 8.1 শিকিবলগীয়া অৰ্হতাসমূহ ঃ

এই গোটটোৰ মুখ্য উদ্দেশ্য হৈছে —

a) বিভিন্ন শৈক্ষিক সংস্থা (স্বয়ংসেৱী অনুষ্ঠানকো অন্তৰ্গত কৰি) সমূহৰ বিদ্যালয়ৰ

লগত থকা সম্পৰ্কৰ বিষয়ে জনোৱা।

b) সেই অনুষ্ঠানসমূহৰ সৈতে বিদ্যালয়বোৰে কৰা কামৰ বিস্তৃত বিৰৰণ (উদাহৰণস্বৰূপে ঃ অনুদান গ্ৰহণ, বাৰ্ষিক কৰ্ম পৰিকল্পনাৰ গঠন আৰু DISE ৰ তথ্য সংগ্ৰহ)

## 8.2 শিক্ষাৰ ঐতিহাসিক নীতি আৰু নিয়মাৱলীৰ চমু আভাষ

বিভিন্ন শৈক্ষিক সংস্থাসমূহৰ বিদ্যালয়ৰ লগত থকা সম্পৰ্কৰ বিষয়ে বিস্তৃত আলোচনা কৰাৰ পূৰ্বে শৈক্ষিক ক্ষেত্ৰত থকা ঐতিহাসিক নীতি আৰু নিয়মাৱলী সম্পৰ্কে চমু আভাষ দিয়াটো একান্তই জৰুৰী। যিসকল লোকে ভাৰতীয় সংবিধানখনৰ ৰূপ দিছে তেওঁলোকে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী বুলি চিহ্নিত কৰিছে। Elementary Education right কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰিবলৈ যাওঁতে তেওঁলোকে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। 'ৰাজ্য বিলাকে 14 বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা সংবিধানখন প্ৰণয়ন কৰাৰ 10 বছৰৰ ভিতৰত প্ৰদান কৰাটো বাধ্যতামূলক বুলি নিৰ্ধাৰণ কৰা হয়। National Policy of Education (1968 আৰু 1986) আৰু The Programme of Action (1992) জৰিয়তে পুনৰবাৰ প্ৰাথমিক শিক্ষক সাৰ্বজনীন কৰাৰ বাবে নিশ্চিত কৰে। সেয়েহে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে বহুতো আঁচনি আৰু কাৰ্যসূচী হাতত লোৱা হয়। এইবোৰ ক্ৰমে Operation Blackboard (OBB); Non Formal Education (NFE); Teacher Education (TE); Mahila Samakhya (MS); State specific Basic Education Projects like the Andhra Pradesh Primary Education Project (APPEP), Bihar Education Project (BEP, Lok Jumbish (LJP) in Rajasthan, Education For All Project in Uttar Pradesh; Shiksha Karmi Project (SKP) in Rajasthan; National Programme of Nutritional Support to Primary Education (MDM); District Primary Education Programme (DPEP). এইপ্ৰগ্ৰেমবোৰ অবিহনে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্য অনুধাবন কৰিব পৰা নগ'লহেঁতেন।

1993 চনৰ Landmark judgment মতে চুপ্ৰিম ক'ৰ্টে কয় যে 14 বছৰ বয়সলৈকে প্ৰত্যেকটো শিশুৰে বিনামূলীয়া শিক্ষা পোৱাটো তেওঁলোকৰ অধিকাৰ।' 1998 চনত শিক্ষামন্ত্ৰীজনে কয় যে সাৰ্বজনীন শিক্ষা লাভ কৰোৱা প্ৰক্ৰিয়াটো Mission mode ত সমাধা কৰা উচিত। সেই মৰ্মে 2001 চনত চৰকাৰে সৰ্বশিক্ষা অভিযান আৰম্ভ কৰে। 2002 চনত সংবিধানৰ এই 86তম সংশোধন বিলখন পাছ হয়। ইয়াত কোৱা হৈছে যে 'সকলো ৰাজ্যই বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে 6 বছৰৰ পৰা 14 বছৰ বয়সৰ সকলো শিশুৰে শিক্ষা লাভ ব্যৱস্থা সংবিধান মতে দিয়া নিৰ্দেশনা অনুযায়ী সাব্যস্ত কৰিব লাগিব।' এই কাৰ্য ফলবতী কৰাবলৈ, শিক্ষা শিশুৰ অধিকাৰ বিলখন 2009ত পাৰ্লিয়ামেণ্টত পাছ্ কৰা হয়। এই বিধেয়কখন 1 এপ্ৰিল 2010 চনত কাৰ্যকৰী কৰোৱা হয়।

## 8.3 সৰ্বশিক্ষা অভিযান

পাৰ্শ্বপট ঃ বহুত চেষ্টাৰ ফলত ভাৰতবৰ্ষই শিক্ষানুষ্ঠান শিক্ষক আৰু প্ৰাথমিক শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰিবলৈ সক্ষম হয়। অৱশ্যে আধাতে স্কুল এৰি যোৱা ছাত্ৰ-ছাত্ৰী আৰু শিকনৰ নিম্নস্তৰ জাতীয় কিছুমান অসুবিধা নথকা নহয়। ইয়াৰ উপৰিও প্ৰণালীৰ ক্ষেত্ৰতো কিছুমান অসুবিধা যেনে - অসমঞ্জস্য বিদ্যালয় ভৱন, জৰাজীৰ্ণভাৱে কাৰ্যৰত বিদ্যালয়, শিক্ষকৰ অতি বেছি অনুপস্থিতি, বহুতো খালী শিক্ষক পদ, নিম্নমানদণ্ডৰ শিক্ষণ আৰু অসমঞ্জস্য পুঁজি। অৰ্থাৎ সাৰ্বজনীন প্ৰাথমিক শিক্ষা মুখ্য উদ্দেশ্য, 100 শতাংশ নামভৰ্তি আৰু শিশুহতৰ ৰিটেনশ্বন প্ৰথাটো সফল কৰিব পৰা হোৱা নাছিল। এই অসুবিধাসমূহ নাইকীয়া কৰিবলৈকে 2001 চনত ভাৰত চৰকাৰে সৰ্বশিক্ষা অভিযান আৰম্ভ কৰে।

SSA **বিস্তৃত বিৱৰণ ঃ** নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত সাৰ্বজনীন প্ৰাথমিক শিক্ষাত উপনীত হ'বলৈ ভাৰত চৰকাৰে সৰ্বশিক্ষা অভিযান (SSA) আৰম্ভ কৰে। বিদ্যালয়ৰ প্ৰণালীৰ ভিতৰত বিদ্যালয়ৰ গাতে লাগি থকা সমাজখনৰ সহযোগত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে ই প্ৰচেষ্টা কৰে। SSA, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় চৰকাৰ যুটীয়া প্ৰচেষ্টা। SSAএ পঞ্চায়তীৰাজ অনুষ্ঠান, বিদ্যালয় পৰিচালনা সমিতি, গাঁও আৰু চহৰ, বস্তা স্তৰৰ শিক্ষা কমিটী, অভিভাৱক শিক্ষক সমিতি, মাতৃ-শিক্ষক সমিতি, জনজাতি অটোনমাচ কাউন্সিল আৰু অন্যান্য মূল ভেটি অনুষ্ঠানসমূহৰ লগত লগলাগি প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনাৰ ভেটিটো দৃঢ় কৰিবলৈ প্ৰচেষ্টা হাতত লয় যাতে ইয়াৰ মূল লক্ষ্যত উপনীত হ'ব পৰা যায়। সেয়েহে NPEৰ অন্তৰ্গত বহুতো আঁচনি যেনে National Programme of Nutritial support for primary education (NPNSPE) মহিলা সমক্ষা, জিলা প্ৰাথমিক শিক্ষা প্ৰগ্ৰাম, Education Guarantee Scheme (EGS), Alternative Education, Janshala.ইত্যাদি আৰম্ভ কৰা হয়। এই আঁচনি আৰু প্ৰগ্ৰেমবিলাক SSAৰ লগত সংযুক্ত কৰা হয়।

SSAৰ মূল বৈশিষ্ট্যসমূহ হ'ল—

- প্ৰতিষ্ঠানৰ উন্নয়নকৰণ - SSAৰ এটা অংশৰ দ্বাৰা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে Delivery systemৰ অৰ্হতা উন্নয়নৰ কাম হাতত ল'বলৈ প্ৰচেষ্টা চলাব বুলি আশা কৰা হৈছে।
- সম্প্ৰদায়ৰ অধিকাৰ - এই প্ৰগ্ৰেমৰ দ্বাৰা বিদ্যালয়সমূহৰ আৰু সম্প্ৰদায়ৰ মাজত থকা ব্যৱধান বিদ্যালয় আধাৰিত হস্তক্ষেপৰ বিকেন্দ্ৰীকৰণৰ প্ৰক্ৰিয়াৰে ফলপ্ৰসূভাৱে শক্তিশালী কৰিবলৈ চেষ্টা কৰা হ'ব। SSAয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত থাকিবলগীয়া সহযোগিতা, অভিভাৱক আৰু PRI, সম্প্ৰদায়ৰ প্ৰতি থকা জৱাবদিহী আৰু স্বচ্ছতাৰ ক্ষেত্ৰত পৰিকল্পনা হাতত লয়।
- অনুষ্ঠানৰ যোগ্যতা উন্নয়নকৰণ-
  SSAয়ে NIEPA/NCERT/NCTE/SCERT/SIEMAT/DIET আদি



টোকা

অনুষ্ঠানসমূহৰ জৰিয়তে কেন্দ্ৰ, ৰাজ্য আৰু জিলা পৰ্যায়ত অনুষ্ঠানসমূহৰ যোগ্যতা উন্নয়নৰ সম্ভৱ হ'ব বুলি পৰিকল্পনা হাতত লয়।

- শিক্ষাৰ মুখ্য প্ৰশাসনিক বিচাৰধাৰাৰ উন্নতিকৰণ—
  SSAয়ে মুখ্য প্ৰশাসনিক বিচাৰধাৰা উন্নয়ন, অনুষ্ঠানৰ উন্নয়নকৰণ, নতুন নতুন পদ্ধতিৰ সঞ্চাৰ কৰি লাভজনক বা ফলপ্ৰসূ পদ্ধতিৰ অংগীকাৰৰ দ্বাৰা উদ্দেশ্যত ফলৱতী কৰিবলৈ বিচৰা হৈছে।
- নিবাসস্থানৰ পৰিকল্পনা-
  পৰিকল্পনাৰ এটা গোটত SSAয়ে সম্প্ৰদায় আধাৰিত পদ্ধতিৰ পৰিকল্পনাত নিবাস স্থানৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব দিয়ে।
- শিক্ষক/শিক্ষয়িত্ৰীৰ কৰণীয় -
  SSAয়ে শিক্ষক/শিক্ষয়িত্ৰীসকলৰ সংকটপূৰ্ণ কৰণীয়খিনি চিনাক্ত কৰে আৰু সেই বিলাকৰ ওপৰত গুৰুত্ব প্ৰদান কৰি তেওঁলোকৰ প্ৰয়োজনীয় উন্নয়নৰ কাম হাতত লয়। সেই উদ্দেশ্য হাতত লৈয়ে Block resource centre/cluster resource centre, অৰ্হতাসম্পন্ন শিক্ষক নিযুক্তি, পাঠ্যক্ৰমৰ লগত জড়িত শিকনসম্বল প্ৰস্তুতিও শিক্ষকক অংশ গ্ৰহণৰ দ্বাৰা প্ৰস্তুতকৰণ, শ্ৰেণীকোঠাৰ পদ্ধতি আৰু Exposure ভ্ৰমণ আদি কাৰ্যসূচী সন্নিবিষ্ট কৰা হয় যাতে শিক্ষক/শিক্ষয়িত্ৰীৰ মাজত মানৱ সম্পদ উন্নয়নৰ সকলো গুণৰ বিকাশ ঘটাব পাৰে।
- জিলা প্ৰাথমিক শিক্ষা পৰিকল্পনা-
  SSAৰ সংৰচনাৰ ক্ষেত্ৰত প্ৰত্যেক জিলাৰ পৰা প্ৰাথমিক শিক্ষা খণ্ডৰ বাবে প্ৰয়োজনীয় পুঁজি নিবেশ, জিলা প্ৰাথমিক শিক্ষা পৰিকল্পনাৰ শিতানত প্ৰস্তুত কৰিব বুলি আশা কৰা হৈছে। প্ৰত্যেক জিলাই একোখনকৈ Anual work plan আৰু বাজেট বনাব বুলি আশা কৰা হৈছে য'ত সেই বছৰটোৰ বাবে নিৰ্ধাৰিত কাৰ্যসূচী প্ৰাথমিকতাৰ আধাৰত প্ৰস্তুত কৰিব।

**RTE আৰু SSA ঃ**

2009 চনত পাৰ্লিয়ামেণ্টে Right to education (RTE) এইখন প্ৰবৰ্তিত কৰে। এই মৰ্মে সংবিধানে '6-14 বছৰ বয়সৰ শিশুহঁতৰ শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক' বুলি প্ৰতিশ্ৰুতিবদ্ধ হয়। এই RTE অধিনিয়ম SSA জৰিয়তে প্ৰত্যাপিত কৰিবলৈ যত্ন কৰা হৈছে। Anil Bordia কমিটীৰ ৰিপ'ৰ্ট মৰ্মে, SSAৰ পৰিকল্পনা, কাৰ্যনীতি, আৰু আদৰ্শ RTE ৰ সৈতে সামঞ্জস্য ৰাখি সফল হোৱাকৈ প্ৰস্তুত কৰা হৈছে।

## 8.4. SSA ৰ অন্তৰ্গত বিভিন্ন Bodies

**Block Resource Centre (BRC) :**

তেওঁলোকে জিলা শিক্ষা বিষয়া (DEO) আৰু ব্লক শিক্ষা বিষয়া (BEO) ৰ সৈতে ঘনিষ্ঠতাৰে কাম কৰে। BRCএখনত 5-7জনলৈ সদস্য থাকে যিসকলে Cluster Re-

টোকা

source Centre (CRC) সদস্যসকলৰ সৈতে সহযোগ কৰি তেওঁলোকৰ কৰ্তব্য পূৰণত সহায় কৰে।

**BRC ৰ কৰ্তব্য ঃ**

(ক) কৰ্তব্যৰত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ বাবে প্ৰশিক্ষণ পৰিচালনা কৰা।

(খ) Cluster Resource Centre (CRC) ক বিদ্যালয়ৰ কামকাজবোৰ পৰিচালনা আৰু উন্নয়নৰ ক্ষেত্ৰত সহায় কৰে।

(গ) RTE Act ৰ অন্তৰ্ভুক্ত দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত এন জি অ', স্থানীয় অধিকাৰী বা বিশেষজ্ঞ আৰু অৰ্হতাপ্ৰাপ্ত জ্ঞানী ব্যক্তিসকলে লোৱা কাৰ্যৰ ক্ষেত্ৰত সহযোগ কৰিব পৰা।

(ঘ) BRC সদস্যসকলে নিয়মীয়াভাৱে বিদ্যালয়সমূহ মনিটৰ আৰু নিৰীক্ষণ কৰিব লাগে। নিৰীক্ষণৰ অন্তত লাভ কৰা ফলাফলবোৰ CRC ৰ সদস্যসকলৰ লগত আলোচনা কৰিব লাগিব যাতে CRCৰ সদস্যসকলে সেইমৰ্মে প্ৰয়োজনীয় পৰিকল্পনা, প্ৰশিক্ষণ আৰু শিক্ষাৰ মানদণ্ড উন্নয়নৰ ব্যৱস্থা কৰিব লাগে।

**Cluster Resource Centre (CRC) :**

এওঁলোকে বিদ্যালয়বোৰত শিক্ষাৰ ক্ষেত্ৰত সংস্থাসমূহে লোৱা কাৰ্যকলাপবোৰত পোনপটীয়াকৈ অংশগ্ৰহণ কৰে, জিলা শিক্ষা বিষয়া আৰু ব্লক শিক্ষা বিষয়াসকলৰ লগত ঘনিষ্ঠতাৰে কাম কৰে। CRC বিলাকে 15-20 খন প্ৰাথমিক স্কুলক সামৰি যিকোনো এখন স্কুলত সম্পূৰ্ণ সা-সঁজুলিৰে সজ্জিত হৈ কাৰ্যৰত হয়। CRCত এজন মুখিয়াল থাকে তেওঁক Co-ordinator বোলা হয়। CRCত অতিৰিক্ত সদস্যও থাকে যিসকলে এটা বিশাল সীমাৰ বা বহু দূৰৰ বিদ্যালয়সমূহো আবৰি লয়।

**BRC ৰ কৰ্তব্যবোৰ ঃ**

(ক) বিদ্যালয়বোৰ নিয়মীয়াকৈ নিৰীক্ষণৰ বাবে যাব লাগিব আৰু শ্ৰেণীকোঠাত প্ৰয়োজনসমাপেক্ষে শিক্ষকজনক সহায় আগবঢ়াব।

(খ) বিদ্যালয়ত শিশুহঁতক বয়সসাপেক্ষে সঠিক শ্ৰেণীত অন্তৰ্ভুক্তি নিশ্চিতকৰণৰ ব্যৱস্থা কৰা।

(গ) শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, বিশেষকৈ পুনঃশিক্ষণৰ ক্ষেত্ৰত আৰু বিশেষ শিক্ষণৰ ক্ষেত্ৰত।

(ঘ) ক্লাষ্টাৰ পৰ্যায়ত বিদ্যালয়ত নামভৰ্তি আৰু স্থায়ীকৰণৰ ক্ষেত্ৰত ৰাইজক উৎসাহ উদগণি যোগোৱা।

(ঙ) বিদ্যালয় পৰিচালনা কমিটী, শিক্ষক, অভিভাৱক, সম্প্ৰদায় আৰু অৰ্হতাসম্পন্ন জ্ঞানী ব্যক্তিসকলৰ সৈতে আলোচনা কৰি বিদ্যালয় পৰিচালনাৰ কাৰ্যকলাপৰ উন্নয়ন ঘটোৱাৰ ক্ষেত্ৰত আগভাগ লোৱা।



টোকা

## 8.5. চৰকাৰী সংস্থা আৰু বিদ্যালয়ৰ মাজত থকা পাৰস্পৰিক প্ৰভাৱ ঃ

**বছৰেকীয়া কাৰ্যপৰিকল্পনা আৰু বাজেট প্ৰস্তুতকৰণ ঃ**

SSAয়ে প্ৰয়োজন সাপেক্ষে আৰু সহযোগকৰণ পৰিকল্পনাৰ ওপৰতহে গুৰুত্ব দিয়ে। RTE Actৰ 21 দফা মতে নিজাববীয়া, সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ বাহিৰে সকলো বিদ্যালয় সামৰি বিদ্যালয় পৰিচালনা সমিতি গঠন কৰাটো বাধ্যতামূলক। এখন এচ এম চিয়ে তেওঁলোকৰ বিদ্যালয়ে পোৱা পুঁজিৰ ওপৰত ভিত্তি কৰি বিদ্যালয় উন্নয়নৰ বাবে এখন পৰিকল্পনা প্ৰস্তুত কৰিব। এচ এম চিৰ মুখ্য সদস্য যেনে - প্ৰধান শিক্ষক, নিৰ্বাচিত শিক্ষক /শিক্ষয়িত্ৰী আৰু অভিভাৱক আৰু এন জি অ'ৰ সদস্যসকলে পৰিকল্পনাৰ মুখ্য ভূমিকা গ্ৰহণ কৰিব। বিদ্যালয়ৰ চাৰিওকাষে যিমান দূৰলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বসতি কৰে বা বিদ্যালয়খনে ঢুকি পোৱা সীমালৈ বসতি কৰা সকলো ধৰণৰ মানুহক সামৰি মাইক্ৰলেভেলৰ পৰিকল্পনাৰ জৰিয়তে বিদ্যালয়খনৰ উন্নয়নৰ পৰিকল্পনা হাতত লোৱা হয়। বিদ্যালয় উন্নয়ন পৰিকল্পনাবিলাক ক্লাষ্টাৰ পৰ্যায়ৰ গোটবিলাকে তেওঁলোকৰ ব্লক পৰ্যায়ৰ গোটৰ সৈতে আলোচনামৰ্মে গ্ৰহণ কৰে। তেতিয়া জিলা পৰ্যায়ৰ গোটে এই পৰিকল্পনাবিলাক গ্ৰহণ কৰাৰ পাছত জিলা পৰ্যায়ৰ পৰিকল্পনাখন প্ৰস্তুত কৰি উলিয়ায়। জিলা পৰ্যায়ৰ এই বাৰ্ষিক পৰিকল্পনাখন সেই ঠাইৰ প্ৰয়োজনীয়তাসমূহৰ ওপৰত ভিত্তি কৰি আৰু সেই ঠাইৰ স্থানীয় সমল স্থানীয়ভাৱে কৰণীয় কাৰ্যৰ ওপৰত ভিত্তি কৰি বনোৱা হয়। বাৰ্ষিক পৰিকল্পনাখন সকলো দিশৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ বনোৱা হয়। অৱশ্যে কেন্দ্ৰ, ৰাজ্য আৰু জিলা পৰ্যায়ত সকলোবোৰ প্ৰয়োজনীয় দিশৰ মানদণ্ড উন্নয়নৰ পৰিকল্পনা BRC আৰু CRCৰ সদস্যসকলৰ মানদণ্ড উন্নয়নৰ ফলতহে এখন ফলপ্ৰসূ পৰিকল্পনা SMC পৰ্যায়ত আশা কৰিব পাৰি।

**পুঁজি গ্ৰহণ ঃ** এই পৰিকল্পনাসমূহৰ ফলপ্ৰসূ কাৰ্যকাৰিতাৰ বাবে বিদ্যালয়বিলাকে SSAৰ পৰা বিভিন্ন পুঁজি অনুদান হিচাপে পায়। তলত বিদ্যালয়সমূহৰ SSAয়ে দিয়া বিভিন্ন পুঁজি অনুদানৰ এখন তালিকা দিয়া হ'ল

| অনুদানৰ প্ৰকাৰ | প্ৰকাৰৰ বৰ্ণনা | পৰিমাণ |
|---|---|---|
| শিক্ষক অনুদান | শিক্ষককলৈ বাৰ্ষিক অনুদান, যাৰদ্বাৰা শিক্ষকসকলে শ্ৰেণীকোঠাত শিশুকেন্দ্ৰিক শিক্ষাদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলগীয়া শিকন সঁজুলি কমমূল্যৰ আৰু স্থানীয়ভাৱে পোৱা সমলেৰে নিজে তৈয়াৰ কৰি ল'ব পাৰে। | 500 টকাকৈ প্ৰত্যেক শিক্ষকক প্ৰতি বছৰে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰৰ বাবে দিয়া হয়। |
| বিদ্যালয় পৰিচালনা অনুদান (SMC/ VECৰ) হে খৰচ | চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত সকলো বিদ্যালয়লৈ বাৰ্ষিকভাৱে পূৰণা অলাগতিয়াল সঁজুলিসমূহৰ | প্ৰতিখন প্ৰাথমিক বিদ্যালয়ক 5000 টকাকৈ আৰু প্ৰতিখন উচ্চ প্ৰাথমিক বিদ্যালয়ক |



টোকা

| অনুদানৰ প্ৰকাৰ | প্ৰকাৰৰ বৰ্ণনা | পৰিমাণ |
|---|---|---|
| কৰিব পাৰিব) | সলনি ঘটাই প্ৰয়োজনীয় সঁজুলি কিনিবলৈ বাৰে বাৰে প্ৰয়োজন হোৱা উপভোগ্য সামগ্ৰী, খেলৰ সামগ্ৰী আৰু সঁজুলি কিনিবলৈ দিয়া হয়। | 7000 টকাকৈ দিয়া হয়। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় একেলগে থাকিলে তাক বেলেগ বেলেগ বুলি গণ্য) কৰি অনুদান দিয়া হয়। |
| বিদ্যালয় পৰিচালনা অনুদান (SMC/ VECৰ) জৰিয়তে ব্যৱহাৰ কৰিব পাৰিব) | এই অনুদান বিদ্যালয়ৰ আবয়ব উন্নয়নৰ হকে যেনে- বছৰেকীয়া সংৰক্ষণ আৰু মেৰামতি আদি কামবোৰৰ বাবে যাতে অবয়ব উন্নয়নৰ লগত অন্যান্য সঁজুলি সমূহো উন্নয়নৰ ব্যৱস্থা কৰিব পাৰে। | 3টা শ্ৰেণীকোঠাযুক্ত বিদ্যালয়ত 5000 টকা আৰু তিনিটাতকৈ বেছি শ্ৰেণীকোঠাযুক্ত বিদ্যালয়ৰ 7000 টকাকৈ বছৰত দিয়া হ'ব (এই ব্যৱস্থা অনুযায়ী প্ৰয়োজন সাপেক্ষে সৰ্বমুঠ 7500 টকা দিয়া হ'ব) |
| আচবাব VEC/ SMCৰ সমান সংস্থাৰ দ্বাৰা প্ৰক্ৰিয়া আগবঢ়াব | ইতিমধ্যে অৱস্থিত চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ য'ত আচবাবৰ অসুবিধা। তাত আচবাবৰ যোগান ধৰা হ'ব 2001 চনৰ পৰা SSAৰ জৰিয়তে প্ৰমাণপত্ৰ লাভ কৰা নতুন উচ্চ প্ৰাথমিক বিদ্যালয়ক এই অনুদান দিয়া নহ'ব কিয়নো তাত ইতিমধ্যে আচবাব আদিৰ বাবদ 50000 চকা বিদ্যালয়ৰ আৰম্ভণিতে দিয়া হৈছে। | প্ৰতি শিশুৰ বিপৰীতে 500 টকাকৈ এক কালীন অনুদান হিচাবে চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ক দিয়া হয়। |
| পুথিভঁৰাল | যিবোৰ চৰকাৰী বিদ্যালয়ত পুথিভঁৰাল নাছিল সেইবোৰ বিদ্যালয়েহে এই অনুদান পাব। এই অনুদান নতুনকৈ স্থাপিত হোৱা প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ বাবে প্ৰযোজ্য নহয় কিয়নো তেওঁলোকক ইতিমধ্যে TLE অনুদান এই মৰ্মে প্ৰদান কৰা হৈছে। | প্ৰাথমিক বিদ্যালয়ক 3000 টকা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ক 10000 টকাকৈ এককালীন সাহায্য দিয়া হয়। যিবোৰ বিদ্যালয় প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক সংযুক্ত হৈ আছে তাত 13000 টকা এককালীন অনুদান দিয়া হ'ব। |

**বিদ্যালয়ৰ প্ৰতি সহায় (Support) আৰু পৰ্যবেক্ষণ ঃ**

প্ৰত্যেক BEOয়ে তেওঁৰ সহকৰ্মী Assistant EOৰ সহযোগত বছৰত প্ৰত্যেকখন স্কুল দুবাৰ কৈ নিৰীক্ষণ কৰিব লাগিব। তেওঁলোকে প্ৰধান শিক্ষক, শিক্ষকসকলে সংৰক্ষণ কৰা তথ্য, বিদ্যালয় ঘৰটোৰ অৱস্থা, ছাত্ৰ-ছাত্ৰীৰ বহাৰ ব্যৱস্থা আদি নিৰীক্ষণ কৰিব।

টোকা

ইয়াৰ উপৰিও তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ খোৱাপানীৰ ব্যৱস্থা, শৌচাগাৰৰ ব্যৱস্থা, Mid-day-meal বনোৱা পাকঘৰৰ অৱস্থা আৰু বিদ্যালয়ৰ চাৰিসীমাৰ বেৰ ভাল অৱস্থাত আছে নে নাই এই বিষয়ে তথ্য সংগ্ৰহ কৰিব লাগিব।

BRC আৰু CRC সদস্যসকলে তেওঁলোকৰ অধীনৰ বিদ্যালয়সমূহ নিয়মীয়াভাৱে নিৰীক্ষণ কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে শিক্ষককলক পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশেষকৈ পাঠ্যক্ৰমৰ প্ৰগতি, পাঠ্যপুথি আৰু অন্যান্য সা-সঁজুলিবোৰ কিদৰে ব্যৱহাৰ কৰিছে, TLM বনোৱাৰ ক্ষেত্ৰত শিক্ষক/শিক্ষয়িত্ৰীসকলক সহায় কৰা, অবিৰত আৰু সামগ্ৰীক মূল্যায়ন কিদৰে ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিছে তাক চাব।

**DISEৰ দাতা সংগ্ৰহ আৰু ব্যৱহাৰ ঃ**

DISE (District information system of education) বিদ্যালয়ৰ ওপৰত নিৰ্ভৰশীল এক statistical প্ৰণালী। ইয়াক 1995 চনত UNICEFৰ সহায়ত NIEPA (National Institute of Educational Planning and Administration)ৰ দ্বাৰা আৰম্ভ কৰা হয়। বিদ্যালয়ৰ অন্তৰ্ভুক্ত তথ্য যেনে - নামভৰ্তি (ল'ৰা/ ছোৱালী/SC/ST), ভৱনৰ সুবিধাসমূহ (পুথিভঁৰাল, ল'ৰা/ছোৱালীৰ শৌচাগাৰ, খেলপথাৰ, খোৱাপানী সুবিধা ইত্যাদি), শিক্ষক/শিক্ষয়িত্ৰীৰ সংখ্যা আৰু উপ-শিক্ষক/উপ-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ প্ৰবাহ, শিক্ষাদানৰ মাধ্যম ইত্যাদি তথ্যবোৰ DISEত সংৰক্ষিত হয় আৰু প্ৰয়োজন সাপেক্ষে তাৰ পৰা ব্যৱহাৰ কৰিব পাৰো।

সেয়েহে DISE এটা মূল্যবান তথ্যৰ উৎস য'ত প্ৰত্যেক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়টোৰ গাঁথনি সম্পৰ্কে তথ্যবোৰ সংৰক্ষিত হৈ থাকে। DISE ৰ সহায়ত কৰা তথ্যৰ সংগ্ৰহে জিলা বা ৰাজ্য পৰ্যায়ত বাৰ্ষিক কৰ্ম পৰিকল্পনা আৰু বাজেট বনোৱাত প্ৰধান ভূমিকা গ্ৰহণ কৰে। Data capturing Format খন পূৰণ কৰাটো এক সংকটপূৰ্ণ কাম, য'ত প্ৰত্যেক বিদ্যালয়ে তেওঁলোকৰ DISE তথ্যসমূহ প্ৰদান কৰে। প্ৰাথমিক বিদ্যালয়সমূহৰ পৰা সংগ্ৰহ কৰা প্ৰাথমিক তথ্যসমূহ BEO/Block resource coordianator পুনৰীক্ষণ কৰি জিলা EMIS-in-charge/DPEP Project coordinator লৈ সম্পূৰ্ণ কৰিবলৈ পঠাই দিয়ে। ঠিক একেদৰে গাঁৱৰ তথ্যও সংগ্ৰহ কৰি জিলালৈ পঠোৱা হয়। জিলা পৰ্যায়ৰ তথ্যসমূহ DISE Software ব্যৱহাৰ কৰি কেন্দ্ৰত গঢ় উলিওৱা হয়। এই software টো এনে ধৰণেৰে বনোৱা হৈছে যে ৰাজ্যিক পৰ্যায়ৰ পৰাই তথ্যৰ ভিত্তিত প্ৰধান প্ৰধান কাৰ্যকলাপবোৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰি তাৰ ওপৰত বহল ব্যাখ্যা দিব পাৰি।

**নিয়োগ আৰু প্ৰশিক্ষণ ঃ**

কেন্দ্ৰীয় চৰকাৰে National Council for teacher education (NCTE) ক শিক্ষাৰ ক্ষেত্ৰত মুখ্য অনুষ্ঠান হিচাবে কাৰ্যভাৰ দিছে আৰু এজন শিক্ষকৰ ন্যূনতম শিক্ষাগত অৰ্হতা কি হ'ব তাক নিৰ্ধাৰণ কৰাৰ অধিকাৰ দিছে। The district Institute of Education and training (DIET), Cluster Resource Centre (CRC) and Block Resource centre (BRC) এই আটাইবোৰকে শিক্ষাৰ সমল কেন্দ্ৰ হিচাপে



টোকা

কাৰ্য কৰিব বুলি আশা কৰা হৈছে। DIET ৰ প্ৰশিক্ষকসকলে প্ৰাক শিক্ষককালীন আৰু কাৰ্যৰত শিক্ষকৰ প্ৰশিক্ষণ দিব। BRC আৰু CRC ৰ Coordinator সকলে কাৰ্যৰত শিক্ষকৰ প্ৰশিক্ষণ দিব আৰু বিদ্যালয়বোৰৰ ঠাইতে শিক্ষকসকলৰ প্ৰয়োজন পূৰণ কৰাত সহায় কৰিব।

## 8.6 অন্যান্য প্ৰয়োজনীয় শৈক্ষিক সংস্থাসমূহ ঃ ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (NCERT)

ই এক স্বয়ংচালিত প্ৰতিষ্ঠান। 1961 চনত ভাৰত চৰকাৰে ইয়াক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ বিলাকে বিদ্যালয়সমূহৰ বাবে লোৱা নীতি, কাৰ্যকলাপ আৰু মানদণ্ড উন্নয়নৰ বাবে লোৱা প্ৰচেষ্টাসমূহৰ উন্নয়নত সহায় কৰিবলৈ প্ৰতিষ্ঠা কৰে। প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ উদ্দেশ্যত উপনীত কৰোৱাৰ বাবে NCERC মুখ্য শিক্ষা সংস্থা হিচাবে লোৱা হৈছে। ই ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগসমূহ, বিশ্ববিদ্যালয়, এন জি অ' আৰু অন্যান্য শৈক্ষিক অনুষ্ঠানসমূহৰ সহায়ত তলত দিয়া উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ চেষ্টা চলায়—

(ক) বিদ্যালয় আৰু শিক্ষকসকলৰ বাবে সমল সঁজুলি যেনে - পাঠ্যপুথি, জাৰ্নাল আদি প্ৰস্তুত আৰু প্ৰণয়ন কৰা।

(খ) উদ্ভাৱনীমূলক শৈক্ষিক প্ৰণালী আৰু আবাসৰ ওপৰত জোৰ দিয়া আৰু প্ৰস্তুত কৰা।

(গ) শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

সেই মমে NCERT য়ে 1988 চনত National curriculm Framaword (NCF) প্ৰস্তুত কৰি উলিয়াই। ই National Policy on Education' (1986)ত প্ৰকাশ কৰা মৰ্মে যে শৈক্ষিক নীতি আৰু ধাৰাবাহিকভাৱে আহি থকা নতুন নতুন বিচাৰধাৰাবোৰৰ ওপৰত ভিত্তি কৰি প্ৰকাশ কৰা হৈছে। এইদৰে 2000 আৰু 2005 চনত পুনৰ নতুনত্ব সংলগ্ন কৰি NCF প্ৰকাশ কৰা হয়। NCFয়ে পাঠ্যক্ৰম, পাঠ্যপুথি, শ্ৰেণীকোঠা শিক্ষণ প্ৰণালী আদি পৰিকল্পনাৰ ৰূপৰেখা ডাঙি ধৰে।

2009ত প্ৰাথমিক পৰ্যায়ৰ শিশুৰ বাধ্যতামূলক বিনামূলীয়া শিক্ষাৰ অধিকাৰ শীৰ্যক আইনখন অন্তৰ্ভুক্ত শিক্ষাৰ সকলো দিশ যেনে - পাঠ্যক্ৰম পৰিকল্পনা আৰু মূল্যায়ন প্ৰক্ৰিয়াৰ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাবে একক পাঠ্যক্ৰম প্ৰস্তুতিৰ অধিকাৰ NCERTৰ ওপৰত ন্যস্ত কৰে।

The National Counicl for teacher Education (NCTE) ঃ

1973 চনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ শিক্ষক শিক্ষাৰ সকলোবোৰ দিশ চোৱাচিতা কৰাৰ বাবে আৰু প্ৰয়োজনীয় পৰামৰ্শ প্ৰদানৰ বাবে (NCTE) প্ৰতিষ্ঠা কৰা হৈছিল। সেই মৰ্মে 1946 চনত প্ৰৱৰ্তিত (NPE) ৰ লগত সংগতি ৰাখি 17 আগষ্ট, 1995 NCTE বা সাংবিধানিকভাৱে মান্যতা প্ৰদান কৰা হয়। এই ব্যৱস্থা NCTEক

টোকা

শিক্ষক শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণ নিৰীক্ষণ কৰি ইয়াৰ বৈধতা স্বীকাৰৰ ক্ষেত্ৰত ক্ষমতা প্ৰদানৰ বাবে লোৱা হৈছে। শিক্ষাৰ অধিকাৰ অন্তৰ্ভুক্ত সকলো শিক্ষণৰে নিয়োগৰ ক্ষেত্ৰত ন্যূনতম শিক্ষাগত অৰ্হতা নিৰূপণৰ বাবে অধিকাৰ দিয়া হৈছে।

## NCTEৰ কৰণীয়সমূহ ঃ

(ক) নিম্নলিখিত কাৰ্যকলাপবোৰ শিক্ষক শিক্ষাৰ ক্ষেত্ৰত পৰিকল্পিত আৰু সমন্বয়যুক্ত উন্নয়নৰ ব্যৱস্থা কৰা।

(i) কাৰ্যৰত শিক্ষকৰ প্ৰশিক্ষণৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰণ

(ii) প্ৰশিক্ষণৰ নিৰীক্ষণ

(iii) শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত উদ্ভাৱনীমূলক ব্যৱস্থাৰ প্ৰাৰম্ভণ

(খ) শিক্ষকৰ শিক্ষাৰ প্ৰণালীৰ সু-ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা

(গ) প্ৰাক প্ৰাথমিক, প্ৰাথমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ আৰু Non formal education, partition education, adult education Distance আৰু Education পাঠ্যক্ৰমসমূহৰ পাঠদান কৰা শিক্ষকসকলক পৰিপুষ্ট কৰিবলৈ প্ৰশিক্ষণ আৰু গৱেষণাৰ ব্যৱস্থা কৰা।

**National Commission for Protection of Child Rights :** 2005 চনৰ শিশু সুৰক্ষা আইনৰ অধীনত মাৰ্চ 2007 চনত National Commission for Protection of Child Rights (NCPCR) প্ৰতিষ্ঠিত হয়। NCPCRয়ে কেন্দ্ৰীয় পৰ্যায়ত তাৰে State Commission for Protection of Child Rights (SCPCR) য়ে ৰাজ্যিক পৰ্যায়ত ভাৰতীয় সংবিধান মৰ্মে শিশুৰ অধিকাৰৰ বাবে সাব্যস্ত কৰা আইন, নীতি, কাৰ্যকলাপ আৰু প্ৰশাসনিক পৰিক্ৰমাবোৰ সঠিকভাৱে নিয়ন্ত্ৰণ হৈছে নে নাই আৰু কাৰ্যত ৰূপায়ণ হৈছে নে নাই তাক চোৱা চিতা কৰি কাৰ্যপন্থা হাতত লয়।

### Right to Education (RTE)ৰ অধীনত NCPCRৰ ভূমিকা ঃ

(ক)শিশুৰ শিক্ষাৰ প্ৰতি থকা অধিকাৰ সঠিকভাৱে সাব্যস্ত হৈছে নে নাই তাৰ নিৰীক্ষণ।

(খ) শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা আৰু অভিযোগবোৰৰ অনুসন্ধান কৰা।

(গ) বিশেষভাৱে যত্ন ল'বলগীয়া শিশুৰ সুৰক্ষা, ক্ষোভ, দৰিদ্ৰ পৰিয়ালৰ শিশু, অধিকাৰহীন আৰু প্ৰতিকূল পৰিৱেশত থকা শিশু, আইনমতে মত ভিন্নতা থকা শিশু, কিশোৰ সম্বন্ধীয়, পৰিয়ালবিহীন শিশু আৰু কয়দীৰ শিশু ইত্যাদিসকলৰ বাবে শৈক্ষিক সংস্থা আৰু অন্যান্য সহায়কাৰীসকলে লোৱা শৈক্ষিক পৰিকল্পনাৰ ক্ষেত্ৰত উপদেশ প্ৰদান।

(ঘ) বিভেদ নিবাৰণ, শাৰীৰিক শাস্তি নিবাৰণ আৰু কোনো শিশুৰ ওপৰত হোৱা মানসিক উৎপীড়ন আদিৰ ক্ষেত্ৰত বিদ্যালয় বিলাকে ল'ব লগা বিভিন্ন উপায় আৰু



টোকা

আদৰ্শৰ ওপৰত মান্যতাপ্ৰদান।

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (SCERT) ঃ**

এই প্ৰতিষ্ঠানৰ মুখ্য কাৰ্য হৈছে বিদ্যালয়ৰ শিক্ষাৰ গুণবাচক উন্নয়নৰ ব্যৱস্থা কৰোৱা। ইয়াৰ মুখ্য উদ্দেশ্য আৰু ক্ৰিয়াকলাপ হৈছে শিক্ষকসকলক প্ৰশিক্ষণৰ আৰু কৰ্মশালাৰ সহায়ত বিদ্যালয়ত শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলে নিজে ল'ব পৰা উদ্ভাৱনীমূলক শিক্ষা প্ৰক্ৰিয়াবোৰ জ্ঞাত কৰা। ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মুখ্য ক্ৰিয়াবোৰ হ'ল—

- কৰ্মৰত শিক্ষক, প্ৰশাসক আৰু শিক্ষকৰ শিক্ষক সকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- নতুন নতুন শৈক্ষিক প্ৰণালী আৰু প্ৰক্ৰিয়াৰ প্ৰবৰ্তন কৰা
- ডায়েটৰ সৈতে সমন্বয় স্থাপন কৰা আৰু উপদেশ আদান প্ৰদান কৰা।
- বিভিন্ন প্ৰশিক্ষণ কাৰ্যকলাপৰ বাবে শিক্ষণ শিকন সামগ্ৰী প্ৰস্তুত কৰি তাক ছপা কৰি উলিওৱা
- বিভিন্ন State Council of Education, NCERT, NIEPAৰ লগত সমন্বয় স্থাপন কৰা।

**ৰাজ্যিক শিশু সুৰক্ষা আইন আয়োগ**

ৰাজ্যিক পৰ্যায়ত শিশু সুৰক্ষা আইন ভংগকাৰীৰ ওপৰত বিহীত ব্যৱস্থা ল'ব পৰা প্ৰধান অনুষ্ঠানটোৱে হ'ল ৰাজ্যিক শিশু সুৰক্ষা আইন আয়োগ। ইয়াৰ প্ৰধান কামবোৰ হ'ল—

- 14 বছৰ সম্পূৰ্ণ নোহোৱালৈকে ৰাজ্য সকলো শিশুৰে এখনকৈ ৰেকৰ্ড ৰখা
- জিলাবিলাকৰ বিদ্যালয় বিলাকত প্ৰয়োজনীয় মানদণ্ডৰ শৈক্ষিক ব্যৱস্থাৰ নিৰীক্ষণ আৰু পৰ্যবেক্ষণৰ দ্বাৰা নিশ্চিত কৰা।
- জিলাৰ বিদ্যালয় আৰু শিক্ষকসকলক নিৰীক্ষণ কৰা।
- শিক্ষাৰ নিয়োগ আৰু বদলিকৰণ, শিক্ষকৰ অনুপাতিক বিতৰণ ব্যৱস্থাৰ নিৰীক্ষণ
- প্ৰমোচন, কমপ্লেন, পঞ্চম শ্ৰেণীৰ পৰীক্ষা, Seniority আৰু আৰু স্থায়ীকৰণ, প্ৰাথমিকতাযুক্ত কেচবোৰ চোৱা
- প্ৰাইভেট বিদ্যালয়ৰ নিৰীক্ষণৰ দ্বাৰা Recognitionৰ ব্যৱস্থা কৰা
- শিক্ষকৰ মেডিকেলত বহন কৰা খৰচ পুনৰ উভতাই দিয়াৰ প্ৰ-পত্ৰ নিৰীক্ষণ
- সাহায্যপ্ৰাপ্ত বিদ্যালয়ক Grant-in-Aid দিয়াৰ ক্ষেত্ৰত নিৰীক্ষণ কৰা

**জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান**

National Policy of Education (NPE) ৰ অধীনত প্ৰাথমিক আৰু Adult শিক্ষাৰ শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰণয়ন কৰা বিভিন্ন স্তৰৰ আৰু কাৰ্যকলাপবোৰৰ grassroot পৰ্যায়ত শৈক্ষিক আৰু সমলৰ ক্ষেত্ৰত সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে



টোকা

অক্টোবৰ 1989 চনত DIET বোৰ প্ৰতিষ্ঠাপিত কৰিবলৈ পুঁজি আবণ্টন কৰে। District Board of Education (DBE) অন্তৰ্ভুক্ত এই DIET বিলাকৰ কেন্দ্ৰীয় ৰাজ্যিক শাখা আৰু জিলা পৰ্যায়ৰ শৈক্ষিক সংস্থা আৰু এন জিঅ'ৰ লগত অতি ওচৰ সম্বন্ধ আছে যিবোৰৰ নিজা নিজা উদ্দেশ্য আৰু আকাংক্ষাবোৰ গৈ এটা বিন্দুতে উপনীত হয়গৈ।

**ডায়েটৰ ভূমিকা ঃ**

(ক) প্ৰাথমিক আৰু Adult Education ৰ মানদণ্ড উন্নয়নকৰণ আৰু সাৰ্বজনীনকৰণৰ বাবে প্ৰাকনিয়োগ আৰু কাৰ্যৰত নিম্নলিখিত গোটসমূহক প্ৰশিক্ষিত কৰা আৰু তেওঁলোকৰ দিক বিন্যাস কৰোৱা-

(i) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক/শিক্ষয়িত্ৰী

(ii) প্ৰধান শিক্ষক, বিদ্যালয় কমপ্লেক্সৰ প্ৰধানসকল আৰু ব্লক পৰ্যায়ৰ শিক্ষা বিভাগৰ অফিচাৰ সকললৈকে।

(iii) Non formal আৰু Adult education or Instructor আৰু Supervisors বোৰক প্ৰশিক্ষিত কৰা।

(iv) শিক্ষাৰ ক্ষেত্ৰত থকা District Board of Education (DBE) আৰু গাঁও শিক্ষা সমিতি (VEC), কমিউনিটি লিডাৰ, যুৱ সমাজ আৰু অন্যান্য নিজাববীয়াকৈ কাম কৰা লোকসকল।

(খ) ডায়েট কেন্দ্ৰৰ উপৰিও উক্ত গোটসকলৰ বাবে প্ৰয়োজনীয় প্ৰগ্ৰেম কৰিবলৈ সমল ব্যক্তি নিয়োগ কৰা

(গ) জিলাৰ প্ৰাথমিক আৰু Adult শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা কৰ্মভিত্তিক গৱেষণাৰ দ্বাৰা সমাধান কৰা।

## 8.7 স্বয়ংসেৱক সংস্থাৰ ভূমিকা ঃ

SSA বা RTE আৰম্ভ হোৱাৰ পূৰ্বেও স্বয়ংসেৱী অনুষ্ঠান বা বেচৰকাৰী প্ৰতিষ্ঠানবোৰে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সেয়েহে SSA য়ে ইয়াৰ মুখ্য উদ্দেশ্যত উপনীত হোৱাৰ বাবে লোৱা সকলোধৰণৰ কাৰ্যকলাপৰ ক্ষেত্ৰত এই স্বয়ংসেৱী অনুষ্ঠানবোৰকো সমভাগী কৰিছিল। ইতিমধ্যে যিসকলে এই কাৰ্যত অৱতীৰ্ণ হৈ সুচাৰুৰূপে কাৰ্য চলাই গৈছিল তেওঁলোকক তেনেধৰণেৰে কাম চলাই যাবলৈ দিয়া হৈছিল আৰু তাৰ লগতে নতুন নতুন ক্ষেত্ৰসমূহো সন্নিবিষ্ট কৰি দিয়া হৈছিল।

প্ৰয়োজন সাপেক্ষ শিক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত এনজিঅ' বিলাকে লোৱা কাৰ্যকলাপবোৰ প্ৰশংসনীয়।

**স্বয়ংসেৱী অনুষ্ঠানৰ ভূমিকা ঃ**

(ক) বিদ্যালয় পৰিচালনা সমিতি (SMC) আৰু পঞ্চায়তী ৰাজ অনুষ্ঠান (PRI) সমৃদ্ধিকৰণ আৰু নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

(খ) SSA ৰ দ্বাৰা প্ৰয়োগ হোৱা আৰু প্ৰভাৱিত হোৱা কাৰ্যকলাপ, শিক্ষাৰ নীতি,



টোকা

পৰিকল্পনা আদিৰ ওপৰত গৱেষণা আগবঢ়োৱা।

(গ) বিদ্যালয়বোৰ, প্ৰশিক্ষণ কেন্দ্ৰবোৰ, প্ৰশিক্ষণ কাৰ্যক্ৰমবোৰ, পাঠ্যক্ৰম আৰু মূল্যাংকন প্ৰক্ৰিয়াবোৰৰ নিৰীক্ষণ আৰু মূল্যায়ন কৰা

(ঘ) শিক্ষকৰ ওপৰত চলোৱা মানসিক উৎপীড়নত বাধা প্ৰদান কৰি তেওঁলোকক সুচাৰুৰূপে কাৰ্য কৰিব পৰা কৰা।

(ঙ) গাঁও, মহানগৰ আৰু জনজাতি অঞ্চলত Education Guarantee Scheme (EGS), Alternative education, Remedial teaching, Non residential bridge courses (NBRCs) and residential bridge courses (RBCs) আদি কাৰ্যক্ৰমবোৰ প্ৰযোজ্য কৰা।

(চ) বিদ্যালয়ৰ নামভৰ্তিকৰণ আৰু স্থায়ীকৰণ প্ৰক্ৰিয়াৰ বৃদ্ধিৰ বাবে সমাজ বা সম্প্ৰদায়বোৰক সচকিত কৰা, বিশেষকৈ কন্যাশিশু, minorities সমাজৰ দৰিদ্ৰ আৰু পিছপৰা সম্প্ৰদায়ৰ শিশুহঁতৰ বাবে কাম কৰা।

(ছ) বিদ্যালয়ৰ লগতে সমাজখনৰ শিশুহঁতৰ স্বাস্থ্য, hygiene and শৌচাগাৰৰ বাবে কাৰ্যক্ৰমণিকা আগবঢ়োৱা।

(জ) শাৰীৰিক বা মানসিকভাৱে অক্ষম আৰু বিশেষ প্ৰয়োজন থকা শিশুহঁতৰ বাবে integrated শিক্ষাৰ ব্যৱস্থা কৰা আৰু তাৰ বাবে বিশেষ প্ৰকাৰৰ সম্বলবোৰ যোগান ধৰা

(ঝ) বিদ্যালয় আৰু সম্প্ৰদায় যাতে ধৰ্মনিৰপেক্ষ হয় আৰু বিভেদকামী নহয় এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা।

(ঞ) বিদ্যালয়/সম্প্ৰদায়/অভিভাৱকসকলৰ বিপত্তিবোৰ ঠিক কৰিবলৈ সহায়তা আগবঢ়োৱা।

## 8.8 প্ৰধান শিক্ষক আৰু শিক্ষকৰ সমাজৰ প্ৰতি ভূমিকা ঃ

সমাজ আৰু ইয়াৰ সহযোগীসকলৰ উন্নয়ন আৰু শুধৰণিৰ ক্ষেত্ৰত শিক্ষাই এক অনন্য ভূমিকা লয়। উন্নত মানদণ্ডযুক্ত বুনিয়াদী (প্ৰাথমিক শিক্ষা) শিক্ষাই সমাজত ন্যায় আৰু অধিকাৰ প্ৰদানৰ কৰোৱাৰ ক্ষেত্ৰত প্ৰধান সহায়ক হয়। গতিকে প্ৰধান শিক্ষক আৰু শিক্ষকসকলে শিশুহঁতক শিক্ষা প্ৰদান কৰি সমাজত তেওঁলোকৰ ভূমিকা আলোচনাত্মক কৰি তুলিব পাৰে। সেয়েহে আই টি ইয়ে শিক্ষকৰ নিয়োগ, অৰ্হতা, প্ৰশিক্ষণআৰু প্ৰেৰণাৰ ওপৰত গুৰুত্ব সহকাৰে বিবেচনা কৰে। আইনখনেও শিক্ষকৰ বিদ্যালয়ৰ আৰু সম্প্ৰদায়ৰ প্ৰতি থকা ভূমিকা আৰু দায়িত্বৰ এক পৰিষ্কাৰ সিদ্ধান্ত লিপিবদ্ধ কৰিছে।

(ক) বিদ্যালয়ৰ বিভিন্ন ক্ৰিয়াকলাপবোৰৰ পৰিচালনা আৰু শিক্ষাৰ মানদণ্ড উন্নয়নৰ ক্ষেত্ৰত বিদ্যালয়ৰ কাষৰ সমাজখনৰ অংশগ্ৰহণত উৎসাহ যোগোৱা।

(খ) শিশু/বিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত অভিভাৱক/সম্প্ৰদায়ৰো অৱদানৰ মূল্যায়ন কৰা।

(গ) বিদ্যালয়ত শিশুৰ নামভৰ্তিকৰণ, স্থায়ীকৰণ বৃদ্ধি আৰু মাজভাগতে পঢ়া এৰি বিদ্যালয়ৰ পৰা গুচি যোৱা ছাত্ৰ-ছাত্ৰীৰ হাৰ কমোৱা, বিশেষকৈ সমাজৰ দুৰ্বল আৰু দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ বাবে সমাজৰ সদস্যসকল আৰু ছাত্ৰ-ছাত্ৰীৰ



টোকা

অভিভাৱকসকলক প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰা।

(ঘ) ল'ৰা-ছোৱালী নিৰ্বিশেষে, ধৰ্ম নিৰপেক্ষতা সমাজত অটুট ৰখা আৰু শিশু সুৰক্ষা আইনখন সপলতাৰে প্ৰণয়ন ঘটোৱা।

(ঙ) চৰকাৰী আৰু বেচৰকাৰীভাৱে চলি থকা কাৰ্য আৰু ব্যৱস্থাবোৰ যিবোৰে সমাজখনৰ সদস্য লাভান্বিত কৰে তাৰ প্ৰতি সজাগতা সৃষ্টি কৰা।

(চ) সামাজিক কাৰ্যকলাপবোৰত অংশগ্ৰহণ, অভিভাৱক/সম্প্ৰদায়ৰ সৈতে হোৱা সভাসমিতি যত সমাজৰ লোকসকলে তেওঁলোকৰ মতামত, শিক্ষা, স্বাস্থ্য, পৰিষ্কাৰ পৰিচ্ছন্নতা, সুৰক্ষা আৰু শৌচাগাৰ আদিৰ ক্ষেত্ৰত দিয়া উপদেশ আদি সহকাৰে বিবেচনা কৰা।

(জ) সমাজখনৰ লগত মধুৰ সম্পৰ্ক ৰাখিবলৈ সমাজখন বা স্থানীয় গোটবিলাকে লোৱা কাৰ্যকলাপবোৰত সহায় সহযোগিতা আগবঢ়োৱা আৰু আগভাগ লোৱা।

## 8.9 সামৰণি ঃ

বৰ্তমান ভাৰতত শিক্ষাৰ প্ৰসাৰ আৰু উন্নয়নৰ বাবে বহুতো শৈক্ষিক নীতি আৰু আইন প্ৰণয়ন কৰা হৈছে। National policy of education (1968 আৰু 1986) আৰু Programme of Action (1992) দুয়োখনেই প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ বাবে সমৰ্পিত। প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত বিভিন্ন যোজনা আৰু কাৰ্যকলাপ যেনে - কৃষ্ণফলক আঁচনি, মধ্যাহ্ন ভোজন, District Primary Education Programme etc. আৰম্ভ কৰে। 2002 চনত হোৱা 86 সংবিধান সংশোধন মৰ্মে ৰাজ্য চৰকাৰবিলাকে 6 বছৰৰ পৰা 14 বছৰ বয়সৰ শিশুহঁতক বিনামূলীয়া আৰু বাধ্যতামূলকভাৱে প্ৰাথমিক শিক্ষা প্ৰদান কৰিব লাগিব বুলি কোৱা হয়। এই সংশোধনী মৰ্মে শিশু শিক্ষা অধিকাৰ আইনখন 2009 চনত পাৰ্লিয়ামেণ্টত পাছ কৰা হয় আৰু আইনখন 2010 ৰ 1 এপ্ৰিলৰ পৰা বলবৎ কৰা হয়।

এই ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন সংস্থাৰ বিদ্যালয়সমূহৰ সৈতে কৰা আলোচনাৰ বহুতো উদাহৰণ আছে। আলোচনাবোৰ বাৰ্ষিক কৰ্ম পৰিকল্পনা আৰু বাজেট, গ্ৰাণ্ট গ্ৰহণ, বিদ্যালয়ক দিয়া সহায় আৰু নিৰীক্ষণ প্ৰক্ৰিয়া, DISE তথ্য সংগ্ৰহ আৰু ব্যৱহাৰ, নিয়োগ আৰু প্ৰশিক্ষণ আদিৰ ক্ষেত্ৰত কৰা হৈছিল। বিশিষ্ট সংস্থাবোৰৰ ভিতৰত National Council of Educational Research and Training (NCERT), The National Council for teacher Education (NCTE) National Commission for Protection of Child Rights (NCPCR) State Council of Educational Research and Training (SCERT), State Commission for protection of Child Rights (SCPCR) আদিৰ নাম উল্লেখযোগ্য। যিহেতু শিক্ষাই সমাজ শুধৰণিৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা লয় সেয়েহে তেনে ক্ষেত্ৰত স্বয়ংসেৱী অনুষ্ঠানবিলাকৰ শিক্ষাৰ লক্ষ্য সমূহত উপনীত কৰোৱাৰ ক্ষেত্ৰত লোৱা ভূমিকা অত্যন্ত আৱশ্যকীয়।

টোকা

## 8.10. পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি ঃ


- Role of various agencies under Sarva Siksha Abhiyan . http://ssa.nic.in/ Accessed on 26th November 2011.
- Relationship between Right to Education and Sarva Siksha Abhiyan. RTE_SSA_Final Report(1)
- Overview of the education system in India .http:/www.education.nic.in Accessed on 26th November 2011.
- Role of voluntary organizations in helping schools and governments in implementing the programmes under Sarva Siksha Abhiyan.www. pratham.org Accessed on 1st December 2011.
- Sample of the DISE report card and how it can be utilized by teachers. http:/ /www.dise.in/Accessed on 2nd December 2011.
- About NCERT's role in elementary education. http://aises.nic.in/aboutncert Accessed on 1st December 2011.
- Role of NCPCR protecting right of children in schools. http://ncpcr.gov.in/ Accessed on 1st December 2011.
- CHENNAI, October 20, 2011, Grievance redress mechanism for child rights cases soon. http://www.thehindu.com/news/cities/Chennai/article2554 381.ece
- http://www.childlineindia.org.in/State-Commission-on-the-Protection-of- Child-Rights.htm
- www.schoolreportcards.in/About**dise**.html Accessed on 7th December 2011.
- Responsibilities of School, http://rtemonitoringcell.info/rte-primer-responsibilities- of-schools/ Accessed on 7th December 2011.
- District Elementary Education Office , http://ludhiana.nic.in/dept/dept_deo_ele.html Accessed on 7th December 2011.


## 8.11 গোটৰ অন্তত অনুশীলন

1. SSA ৰ মুখ্য বৈশিষ্ট্যবোৰ আলোচনা কৰা
2. Cluster Resource Centre (CRC)ৰ ভূমিকা ব্যাখ্যা কৰা।
3. চমুটোকা লিখা ঃ

   ● NCERT ● NCTE ● SCERT ● DIET